# বাল্য বিবাহ নিবাৰণ আইন, ২০০৬ ৰ অধীনত বাল্য বিবাহ খাৰিজকৰণ

এটি উজ্জ্বল শনিবাৰৰ পুৱা, এটা বেচৰকাৰী সংস্থাৰ প্ৰতিনিধি মায়াই পঞ্চায়ত কাৰ্যালয়ত কিশোৰ-কিশোৰীসকলৰ বাবে এখন আইনী সজাগতা শিবিৰৰ আয়োজন কৰিছে।




UNFPA enfold JUSTICE adda










## আপুনি বিবাহ খাৰিজকৰণ আবেদন দাখিল কৰাৰ ক্ষেত্ৰত সমৰ্থনৰ বাবে কাৰ সৈতে যোগাযোগ কৰিব পাৰে?

1. বাল্য বিবাহ নিবাৰণ বিষয়া হৈছে এগৰাকী চৰকাৰী বিষয়া যিয়ে বাল্য বিবাহ ৰোধ কৰা আৰু শিশুসকলৰ বিবাহ খাৰিজকৰণৰ বাবে আদালতত আবেদন কৰাত সহায় কৰিব লাগে।
2. শিশু কল্যাণ সমিতি হৈছে এক জিলা পৰ্যায়ৰ কৰ্তৃপক্ষ যিয়ে বাল্য বিবাহৰ আসন্ন বিপদশংকা থকা ,অৱহেলাৰ সন্মুখীন হোৱা শিশু , শিশু নিৰ্যাতনৰ আশংকা থকা শিশুসকলৰ ক্ষেত্ৰত যত্ন, সুৰক্ষা আৰু পুনৰ্বাসনৰ নিৰ্দেশ দিব পাৰে।
3. জিলা আইনী সেৱা প্ৰাধিকৰণ হৈছে জিলা আদালতৰ ভিতৰত বা ওচৰৰ থকা এটা কাৰ্যালয় যি বিনামূলীয়া আইনী পৰামৰ্শ আৰু এজন অধিবক্তা প্ৰদান কৰে।

## পি. চি. এম. এ.-ৰ অধীনত বিবাহ খাৰিজ কৰাৰ বাবে প্ৰয়োজনীয় নথিপত্ৰ বা প্ৰমাণ

1. ১. বিবাহ হৈছিল বুলি প্ৰমাণ কৰিবলৈঃ
   ক) বিবাহৰ নিমন্ত্ৰণী পত্ৰ, বিশেষকৈ তাৰিখৰ সৈতে
   খ) বিবাহৰ ফটো
   গ) বিবাহত উপস্থিত থকা বা বিবাহৰ ব্যৱস্থা কৰা ব্যক্তি বা সাক্ষীসকলে এই ক্ষেত্ৰত বিবাহ কেতিয়া হৈছিল সেই বিষয়ে আদালতক জনাব।



2. ২. আবেদনকাৰী বিবাহ খাৰিজ কৰাৰ বাবে বয়সৰ সীমাৰ ভিতৰত আছিল বুলি প্ৰমাণ কৰিবলৈঃ
   ক) বিদ্যালয়ৰ প্ৰমাণপত্ৰ বা দশম শ্ৰেণীৰ মাৰ্কশ্বীট, বা
   খ) জন্ম প্ৰমাণপত্ৰ, বা
   গ) চিকিৎসা পৰীক্ষা
   ঘ) আদালতৰ দ্বাৰা গ্ৰহণযোগ্য আন যিকোনো চৰকাৰী নথি।




## এই ক্ষেত্ৰত আদালতে কি কৰিব পাৰে?



1. বিবাহ খাৰিজকৰণ কৰা যিয়ে বিবাহখনৰ অন্ত পেলাব।



2. বিবাহৰ সময়ত বিনিময় কৰা যিকোনো উপহাৰ, ধন আৰু গহনা ঘূৰাই দিবলৈ দ্বিতীয় পক্ষক আদেশ দিয়া।



3. স্বামী বা তেওঁৰ অভিভাৱক ভুক্তভোগী ছোৱালীজনীৰ পুনৰ বিবাহ নোহোৱালৈকে চোৱা-চিতাৰ খৰচ বহন কৰিবলৈ নিৰ্দেশ দিয়া। ইয়াত সাধাৰণতে ছোৱালীজনীয়ে পুনৰ বিবাহ নকৰালৈকে তাইৰ দৈনন্দিন জীৱন অব্যাহত ৰাখিব লগা খৰচসমূহ সামৰি লোৱা হয়।



4. জন্মগ্ৰহণ কৰা শিশুগৰাকী কাৰ জিম্মাত থাকিব সেই সন্দৰ্ভত সিদ্ধান্ত লোৱা আৰু পিতৃ-মাতৃ বা ককা-আইতাক বা অভিভাৱকৰ দ্বাৰা পৰিচৰ্যা পৰিশোধ কৰাৰ নিৰ্দেশ দিয়া। ইয়াৰ ভিতৰত সাধাৰণতে শিশুগৰাকীৰ ১৮ বছৰ বয়স হোৱালৈকে জীৱনৰ প্ৰাথমিক প্ৰয়োজনীয় বস্তু যেনে খাদ্য, কাপোৰ, আশ্ৰয়, শিক্ষা, চিকিৎসা আদি।



5. পুনৰ্বিবাহ নোহোৱালৈকে নাৰীগৰাকীৰ বাসস্থানৰ নিৰ্দেশ।

বি: দ্ৰ :
সাধাৰণ তথ্যৰ বাবে এই বিষয়বস্তু আগবঢ়োৱা হৈছে। অধিক তথ্যৰ বাবে অনুগ্ৰহ কৰি কিউ. আৰ. ক'ড স্কেন কৰক। আপোনাৰ নিৰ্দিষ্ট পৰিস্থিতিৰ ওপৰত আইনী পৰামৰ্শৰ বাবে, অনুগ্ৰহ কৰি এজন যোগ্য অধিবক্তাৰ পৰামৰ্শ লওক।